# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
-------------------

ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্যতিথি আজি ৰাজ্যজুৰি লোককল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰৰ উদ্যোগত এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ লগতে ভালেসংখ্যক বিষয়ালৈ প্ৰশাসন ব্যৱস্থাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে কৰ্মশ্ৰী বঁটাও আগবঢ়োৱা হয়। চলিত বছৰত ৬৯ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা বঁটাসমূহ আগবঢ়োৱা হয়। ৰাজ্যিক পৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিং ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্ত বিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়োৱা হৈছে। একেদৰে ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ আগবঢ়োৱা হৈছে। **শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত লোককল্যাণ দিৱসৰ অনুষ্ঠানত মন্ত্ৰী ৰণজিত কুমাৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বঁটাসমূহ প্ৰদান কৰে। ভাষণ প্ৰসংগত শ্ৰীদাসে অসমক ভাৰতৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন নোহোৱাকৈ ৰাখিবলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অহোপুৰুষাৰ্থ কৰিছিল বুলি মন্তব্য কৰে। তেওঁ প্ৰয়াত বৰদলৈ অসমৰ ৰাজনৈতিক আৰু আধুনিক সমাজ ব্যৱস্থাৰ খনিকৰস্বৰূপ আছিল বুলি ভাষণত উল্লেখ কৰে।**

বাইট (ৰণজিত কুমাৰ দাস)

ৰাজ্যৰ বিভিন্ন জিলাত আয়োজন কৰা লোককল্যাণ দিৱসৰ কাৰ্যসূচীত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোচা, মুখ্য সচিব ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**মন্ত্ৰী ৰণজিত কুমাৰ দাসে ইয়াৰ পাছত গুৱাহাটীৰ শিলপুখুৰীত থকা গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পুস্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়াকে ধৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাও অনুষ্ঠিত কৰা হয়।** ধেমাজি জিলাতো ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত আজি বিয়লি লোককল্যাণ দিৱস উপলক্ষে জিলাভিত্তিক লোকসেৱা বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০০০০০

ধেমাজি জিলাত শেহতীয়াকৈ জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ হৈছে। এতিয়ালৈকে জিলাখনত ৩২ গৰাকী ৰোগী জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হোৱাৰ বিপৰীতে ৩ গৰাকীয়ে প্ৰাণ হেৰুৱাইছে। ধেমাজি জিলাৰ স্বাস্থ্য বিভাগৰ পৰা আমাৰ সংবাদদাতাই লাভ কৰা তথ্য অনুযায়ী জিলাখনত বিগত তিনিমাহত ১২ গৰাকী ৰোগীৰ জাপানীজ

এনকেফেলাইটিছত আক্ৰান্ত হোৱাটো সুনিশ্চিত হৈছে। ধেমাজি অসামৰিক চিকিৎসালয়ত ৰোগীসকলক চিকিৎসা প্ৰদান কৰা হৈছে। গুৰুতৰভাৱে আক্ৰান্ত হোৱা ৰোগীক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে। জিলাখনৰ চিলাপথাৰৰ আৰ চি মাজৰবাৰীত এটি দুবছৰীয়া কন্যা শিশু, পাণবাৰী মুক্তিয়াৰ অঞ্চলৰ এগৰাকী ১৫ বছৰীয়া কিশোৰী আৰু চিলাপথাৰ ডিমৰীয়া অঞ্চলৰ এটি ৫ বছৰীয়া শিশু এই ৰোগত মৃত্যুমুখত পৰিছে। স্বাস্থ্য বিভাগে ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা অঞ্চলসমূহত আঁঠুৱা ঔষধিকৰণ কৰাৰ লগতে ৰাইজৰ মাজত সজাগতা শিবিৰ অনুষ্ঠিত কৰিছে।

oooooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ সদৰ হামৰেণত আজি নীটি আয়োগৰ অধীনত সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আয়ুক্ত সাৰংগপানি শৰ্মাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত বিভিন্ন সমাজ উন্নয়নমূলক ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ব্যক্তিসকলক সন্মান যচা হয়। তাৰোপৰি আমৰি, চচেং আৰু ৰংখাং খণ্ড বিষয়া কাৰ্যালয়ে লাভ কৰা চাৰে ৩ কোটি টকাৰ অনুদানো গুৰুত্বপূৰ্ণ শিতানত ব্যয় কৰিবলৈ জিলা আয়ুক্তই আহ্বান জনায়।

oooooooo

গোলাঘাট জিলাৰ মেৰাপানীৰ নেঘেৰিবিলৰ দখলিকৃত ভূমিত ৰাজ্য চৰকাৰে উচ্ছেদ চলোৱাৰ পাছতে অঞ্চলটোৰ ভূমি নগাসকলৰ বুলি সীমান্তৰ তিনিখন নগাবস্তিৰ কাউন্সিলে মন্তব্য কৰাৰ পাছত ৰাজ্যৰ বিভিন্ন দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কালি নগালেণ্ডৰ একাংশ লোকে সৰুপথাৰৰ গেলাজান আৰু ২ নম্বৰ ৰজাপুখুৰী তেওঁলোকৰ বুলি দাবী কৰিছিল। আজি মেৰাপানী সীমান্তৰ নেঘেৰিবিলৰ সমীপৱৰ্তী তিনিখন নগা বসতিপ্ৰধান গাঁৱৰ ভিলেজ চেয়াৰমেনে নেঘেৰিবিলৰ ভূমি নগালেণ্ডৰ বুলি দাবী কৰি এটা ভিডিঅ' মুকলি কৰে। তেওঁলোকে নেঘেৰিবিলৰ বনভোজথলীত ৰাজ্যৰ বিভিন্ন ঠাইৰ লোকে বনভোজ খাই অহা কাৰ্য এতিয়াৰেপৰা বন্ধ কৰা হ'ব বুলি কৰা ঘোষণাক অসমৰ কেইবাটাও সংগঠনে গৰিহণা দিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে এই বিষয়ত সাংবাদিকৰ আগত প্ৰকাশ কৰি দখলমুক্ত এলেকাত অসম আৰক্ষীৰ নিয়মীয়া তহলৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। তদুপৰি নেঘেৰিবিলত সোনকালে অসম বেটেলিয়নৰ এটা স্থায়ী শিবিৰ নিৰ্মাণৰো তেওঁলোকে দাবী তোলে। এই স্পৰ্শকাতৰ সীমান্ত অঞ্চল ৰাজ্যখনৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত থকা হেতুকে বিষয়টো লৈ নিশ্চয়তা প্ৰদান কৰিবলৈ তেওঁলোকে মুখ্যমন্ত্ৰীক দাবী জনায়।

oooooooo

কামৰূপ জিলাৰ ছয়গাঁৱত আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কলহী নৈৰ খহনীয়া পৰিদৰ্শন কৰে। সম্প্ৰতি খহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰা অঞ্চলটোৰ পটুৰিখাট, কটহী আৰু মাকেলি গাঁও পৰিদৰ্শন কৰি খহনীয়া সমস্যা সমাধানৰ বাবে স্থায়ী পদক্ষেপ গ্ৰহণ কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ সৈতে বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

oooooooo

সমাপ্ত